# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-12-2024
**Time :** 21-25 Hrs

# *Assamese Night Bulletin*

::::::::::::::::::::::::::::::::

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে সাহায্য আৰু অনুদান বিতৰণ কৰা হয়। ইয়াৰ অংশ হিচাপে মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাত অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু সকাহ আঁচনিৰ অধীনত তৃতীয় বৰ্গৰ ৫ হাজাৰ ১১৯ গৰাকী ঋণ গ্ৰহণকাৰীক ঋণমুক্তিৰ প্ৰমাণ পত্ৰ বিতৰণ কৰে। একেটা অনুষ্ঠানতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগ আঁচনিৰ অধীনত ১৮৯ গৰাকীলৈ মূলধনী বিনিয়োগৰ ৰাজ সাহায্য প্ৰদান কৰা হয়। মুখ্য মন্ত্ৰীয়ে দুৰ্যোগত ক্ষতিগ্ৰস্ত ২ হেজাৰ ১১ টা পৰিয়াললৈ আৰ্থিক সাহায্য প্ৰদান কৰে। এই উপলক্ষে মুখ্য মন্ত্ৰী শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত লাখ লাখ মহিলা ঋণ গ্ৰহণকাৰীক ঋণমুক্তিৰ প্ৰমাণপত্ৰ প্ৰদান কৰিছে। ইয়াৰ ফলত মহিলা উদ্যমীসকলৰ বাবে ব্যৱসায় প্ৰতিষ্ঠান আৰু সম্প্ৰসাৰণৰ পথ প্ৰসস্ত হব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ৬ লাখ ৪৩ হাজাৰ কোটি টকালৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ২০১৩-২৪ বৰ্ষত এই পৰিমাণ ১ লাখ ৭৭ হাজাৰ কোটি টকা আছিল বুলিও তেওঁ জানিবলৈ দিয়ে। অসম শক্তিশালী অৰ্থনীতিৰ দিশে অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ ঋণৰ পৰা মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত ৰাষ্ট্ৰীয় গড়তকৈ কম। গোলাঘাটৰ অনুষ্ঠানত মুখ্য মন্ত্ৰীৰ লগতে মন্ত্ৰী অতুল বৰা আৰু অজন্তা নেওগেও অংশগ্ৰহণ কৰে। ডঃ শৰ্মাই গোলাঘাটত নিৰ্মীয়মান গোলাঘাট চিকিৎসা মহাবিদ্যালয় আৰু জিলা আয়ুক্ত কাৰ্যালয়ো পৰিদৰ্শন কৰে। গোলাঘাটৰ বগৰিজেঙত নিৰ্মাণ হৈ থকা চিকিৎসা মহাবিদ্যালয়খন পৰিদৰ্শন কৰি মুখ্য মন্ত্ৰীয়ে অহা বছৰ ইয়াৰ কাম সম্পূৰ্ণ হ'ব আৰু ২০২৬ চনৰ পৰা এই চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা সেৱাৰ পাঠ্যক্ৰম আৰম্ভ কৰিব পৰা হ'ব বুলি প্ৰকাশ কৰে। বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত তিনিচুকীয়াৰ বৰগুৰিত থকা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত ৰাজ্যৰ শ্ৰম তথা চাহ শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। ইপিনে, মৰিগাঁও জিলাৰ তৰুণৰাম ফুকন খেলপথাৰত আয়োজিত বিকাশৰ ১২ দিন কাৰ্যসূচীত মুখ্য অতিথি হিচাপে মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। হাইলাকান্দিত আয়োজিত চৰকাৰৰ বিকাশৰ ১২ দিনৰ অনুষ্ঠানত বৰাক উন্নয়ন মন্ত্ৰী কৌশিক ৰায় মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ৭৩০ গৰাকী শিক্ষাৰ্থীক বাণীকান্ত কাকতি বঁটা, ৫৬৯ গৰাকী শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা বঁটা আৰু ৬ হেজাৰ ৭৮০ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল বিতৰণ কৰে।

বজালী জিলাৰ পাঠশালাতো আজি বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰাজ্য চৰকাৰৰ বিভিন্ন অনুদান বিতৰণ তথা সাহায্য প্ৰদান কৰে।

০০০

নগাওঁ আৰক্ষীয়ে আজি চহৰখনৰ ইটাচালিত অভিযান চলাই এটা চাইবাৰ অপৰাধী চক্ৰ উৎখাত কৰাৰ লগতে ৫ জন লোকক গ্ৰেপ্তাৰ কৰে। ইয়াৰ ৩ জনক বহিঃৰাজ্যৰ আৰু দুজন নগাওঁ জিলাৰ বাসিন্দা বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আৰক্ষীয়ে অভিযানকালত লোককেইজনৰ পৰা ১২ খন এ টি এম কাৰ্ড, ১০ টা মোবাইল ফোন আৰু এখন বাহন জব্দ কৰে। ধৃত লোককেইজনক আৰক্ষীয়ে ৫ দিনৰ বাবে জিম্মাত লৈছে।

০০০

কোকৰাঝাৰ জিলাৰ বড়োফা সাংস্কৃতিক কেন্দ্ৰত অহা ২২ ডিচেম্বৰত একবিংশ উপেন্দ্ৰ নাথ ব্ৰহ্ম মানৱতাৰ সেনানী বঁটা ২০২৪ প্ৰদান কৰা হ'ব। সমাজকৰ্মী তথা মৈটি নেপাল নামৰ স্বেচ্ছাসেৱী সংস্থাৰ প্ৰতিষ্ঠাতা আৰু নেপালৰ বাগমতি প্ৰদেশৰ প্ৰাক্তন ৰাজ্যপাল অনুৰাধা কৈৰালাক এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে, মানৱতা আৰু সমাজসেৱাৰ দিশত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে এই বঁটা প্ৰদান কৰা হয়।

০০০

ললিত কলা বঁটাৰে সন্মানিত বিশিষ্ট চিত্ৰশিল্পী মনেশ্বৰ ব্ৰহ্মৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি শিল্পীগৰাকীৰ চিৰাং জিলাৰ বিজনীৰ সুভাইজাৰ হালিপাৰাৰ বাসগৃহত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে ব্ৰহ্মৰ বিয়োগ অসমৰ শিল্পজগতৰ বাবে অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰে।

০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত অধিক স্থানীয় বাতৰি প্ৰচাৰ কৰা উচিত বুলি বিভিন্ন শ্ৰোতাই মত প্ৰকাশ কৰিছে। আজি নিশা প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত কেইবাগৰাকীও শ্ৰোতাই এই মত প্ৰকাশ কৰি কয়, যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বাতৰি প্ৰচাৰৰ বাবে যিহেতু ৩ খন বাতৰি বুলেটিন আছে সেই হেতুকে আঞ্চলিক বাতৰি বুলেটিনসমূহত স্থানীয় বাতৰিয়ে প্ৰাধান্য পালেহে জনসাধাৰণ জড়িত বাতৰি প্ৰকাশিত হ'ব। এই অনুষ্ঠানত আকাশবাণীৰ কেইবাগৰাকীও অৱসৰপ্ৰাপ্ত বিষয়া, জ্যেষ্ঠ নাগৰিক আৰু নিয়মীয়া শ্ৰোতাই বাতৰিৰ মান উন্নত কৰাৰ বাবে পৰামৰ্শ দিয়ে। তদুপৰি শ্ৰোতাসকলে টেলিফোনযোগে নিজৰ অভিমত আগবঢ়ায়।

০০০

অসম ক্ৰিকেট সন্থাৰ বাৰ্ষিক সাধাৰণ সভা আজি কাজিৰঙাত অনুষ্ঠিত হয়। অসম ক্ৰিকেট সন্থাৰ অধ্যক্ষ তৰংগ গগৈৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত খেলুৱৈসকলৰ প্ৰদৰ্শন আৰু ভৱিষ্যতৰ বাবে কৌশলগত পৰিকল্পনাৰ বাবে বিশদভাৱে পৰ্যালোচনা চলোৱা হয়। সভাত প্ৰতিভাশালী যুৱ খেলুৱৈসকলৰ প্ৰতিভাৰ বিকাশত বিশদ পৰিকল্পনা লৈও আলোচনা কৰা হয়।

০০০

ঃঃ সমাপ্ত ঃঃ